**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত গুৱাহাটী মহানগৰীৰ আন্তঃগাথনি বিকাশ তথা সৌন্দৰ্যবৰ্ধনৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়।

ড° শৰ্মাই কালি আন এখন বৈঠকত **কিতাপ পঢ়া বৰ্ষ** পদক্ষেপৰ অধীনত অগ্ৰগতি সন্দৰ্ভত শিক্ষা, বিত্ত আৰু অসম প্ৰকাশন পৰিষদৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে চলিত বৰ্ষক কিতাপ পঢ়া বৰ্ষ হিচাপে উদ্‌যাপন কৰিছে আৰু এই পদক্ষেপৰ অধীনত গ্ৰন্থমেলাৰ আয়োজন আৰু চৰকাৰী কৰ্মচাৰীক গ্ৰন্থ ক্ৰয় কৰিবলৈ উৎসাহিত কৰাৰ বাবে এহেজাৰগৰাকী যুৱ লেখকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে বিশেষকৈ যুৱচামৰ মাজত কিতাপ পঢ়াৰ সংস্কৃতি গঢ়ি তোলাৰ চেষ্টা কৰা হৈছে।

oooooo

অসম, নাগালেণ্ড আৰু মণিপুৰৰ সীমান্তৱৰ্তী ডিমা হাচাও জিলাৰ মাহুৰ থানাৰ অন্তৰ্গত হাংগ্ৰুমত কালি ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণথলীত হোৱা ভূমিস্খলনত এজন লোক নিহত আৰু ৯ জন লোক আহত হয়। নিহত লোক দুজন গোৱাজেন গাম্বে নৃয়ান আৰু ফেৰন টিগা  বুলি চিনাক্ত কৰা হৈছে। মঙলবাৰে নিশা হোৱা প্ৰবল বৰষুণৰ ফলত সংঘটিত এই ভূমিস্খলনত পথৰ নিৰ্মাণকাৰ্যত জড়িত এই শ্ৰমিককেইজন হতাহত হয়। গুৰুতৰভাৱে আহত দুজন শ্ৰমিকক হাফলং অসামৰিক চিকিৎসালয়লৈ পঠিওৱা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

oooooo

নগাওঁ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ সভাকক্ষত জিলা পৰ্যায়ৰ জল আৰু অনাময় অভিযানৰ দ্বিতীয়খন সভা অনুষ্ঠিত হয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাই জিলাখনত বৰ্তমান ৰূপায়ণ হৈ থকা স্বচ্ছ ভাৰত অভিযান আৰু জল জীৱন মিছনৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। সভাত জিলাখনৰ  বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰসমূহত পানী যোগান সন্দৰ্ভতো আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ প্ৰতিগৰাকী নাগৰিকে যাতে এই আঁচনিসমূহৰ সুবিধা সঠিকভাৱে লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

oooooo

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলাখনৰ আয়ুক্ত আয়ুষ গাৰ্গৰ অধ্যক্ষতাত যোৱা মাহৰ অপৰাধ সন্মিলনখন অনুষ্ঠিত হয়। সন্মিলনত বিগত সময়ছোৱাত জিলাখনত হোৱা অপৰাধমূলক ঘটনা, অপৰাধৰ ধৰণ, পটভূমি, কাৰক আদি সন্দৰ্ভত বিশ্লেষণাত্মকভাৱে আলোচনা কৰা হয়। তদুপৰি ভৱিষ্যতে জিলাখনক অপৰাধ শূন্য জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰিবলগীয়া সম্ভাব্য প্ৰতিকাৰমূলক ব্যৱস্থাৱলী

তথা ভৱিষ্যৎ কাৰ্যপন্থা সন্দৰ্ভতো বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্ত আৰু শিৱসাগৰৰ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই এই সন্দৰ্ভত সংশ্লিষ্ট সকলো বিভাগৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে লগতে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাক সুনিশ্চিত কৰাৰ বাবে সকলো বিভাগকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

oooooo

গোলাঘাট জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ মৰঙি কৃষি উন্নয়ন চক্ৰৰ ফলঙনিত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৫-২৬ৰ অধীনত সামুহিক কঠীয়াতলী প্ৰস্তুত কৰাৰ বাবে কঠীয়া সিঁচা কাৰ্যসূচী সম্পন্ন হয়। অঞ্চলটোৰ কৃষি ক্ষেত্ৰৰ সৈতে জড়িত এটা কৃষক গোটৰ সহযোগত ৪০ বিঘা ভূমিত কঠীয়া সিঁচা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। কাৰ্যসূচী আৰম্ভ কৰি জিলা কৃষি বিষয়া ৰঞ্জন বৰুৱাই কয়, যে জিলাখনৰ ছটা ৰাজহ চক্ৰৰ কেইবা হেক্টৰ কৃষি ভূমি বানে নষ্ট কৰাৰ ফলত কৃষকসকল ক্ষতিগ্ৰস্ত হৈছে। ক্ষতিগ্ৰস্ত কৃষকসকলক সহায়ৰ বাবে এই ব্যৱস্থা লোৱা হৈছে বুলি বিষয়াগৰাকীয়ে উল্লেখ কৰে।

যোৰহাট জিলাতো কালি মাধপুৰ কৃষি চক্ৰৰ লহং বেবেজীয়া গাঁৱৰ কৃষিভূমিত আনুষ্ঠানিকভাৱে কঠীয়া সিঁচা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচী কৃষি মহকুমা বিষয়া মাধপুৰ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ উপৰি স্থানীয় ৰাইজ উপস্থিত থাকে।

oooooo

আৰোহণ প্ৰকল্পৰ অধীনত তিনিচুকীয়া জিলাত কালি কিশোৰ-কিশোৰীৰ বাবে প্ৰথমটো নিচামুক্তি কেন্দ্ৰ মুকলি কৰা হয়। তিনিচুকীয়া নগৰৰ বৰদলৈ নগৰৰ ভৱেন গগৈ পথত কেন্দ্ৰটো স্থাপন কৰা হৈছে। ডিগবৈৰ ভাৰতীয় তেল নিগম লিমিটেডৰ সৌজন্যত আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত স্থাপন কৰা কেন্দ্ৰটোত কালি অতিৰিক্ত জিলা আয়ুক্ত ড° মন্দিৰা বৰুৱাই মুকলি কৰে। এই কেন্দ্ৰটোত ১০ৰ পৰা ১৮ বছৰৰ ২৫ জনকৈ কিশোৰক ৰখাৰ ব্যৱস্থা কৰা হ'ব।

oooooo

হোজাই জিলাৰ লংকা তিনিআলিত কালি আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন সৰবৰাহকাৰীক আটক কৰে। জিলাখনৰ উদালি আৰক্ষীয়ে লামডিং-লংকা সংযোগী পথত নিয়মীয়া তালাচীৰ সময়ত ১৭টা চাবোনৰ বাকচত ভৰাই মাদক দ্ৰব্যসমূহ জব্দ কৰে। আটক কৰা সৰবৰাহকাৰীজনে শিলচৰৰ পৰা গুৱাহাটীলৈ মাদক দ্ৰব্যসমূহ কঢ়িয়াই আনিছিল বুলি আৰক্ষীৰ আগত প্ৰকাশ কৰে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত আছে।

oooooo

যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বাহনত কালি নিশা অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ কৰে। আক্ৰমণত বাহনখনৰ ক্ষতি হয় যদিও বিধায়কগৰাকী কথমপি ৰক্ষা পৰে। যোৰহাটৰ পৰা গুৱাহাটীলৈ আহি থকা অৱস্থাত বোকাখাটৰ কুৰুৱাবাহী তিনিআলিত এই ঘটনা সংঘটিত হয়। ইতিমধ্যে বোকাখাট আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দোষীক কৰায়ত্ব কৰাৰ বাবে তদন্ত আৰম্ভ কৰিছে।

oooooo

সমাপ্ত